بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**দৈৱ শক্তিৰ আধাৰত মাজে সময়ে মানুহৰ জৰিয়তে এনে কিছুমান কাম সম্পাদিত হয় যে সেইবোৰ মানৱিক শক্তি সীমাৰ বাহিৰত বুলি অনুমান হয় আৰু ঐশ্বৰিক শক্তি তাত নিহিত থাকে। খন্দকৰ যুদ্ধৰ দৃশ্য পটত আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ চেপ্তেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আহযাবৰ যুদ্ধ পৰিক্ৰমাত ৰছুলুল্লাহ (ছাঃ)ৰ ভূমিকা আৰু জীৱন সম্পৰ্কে বৰ্ণনা চলি আছিল। যোৱা জুমাৰ খোতবাত ভোজন পৰ্বত বিৰাট এক বৰকতৰ ঘটনা সংঘটিত হোৱা সম্পৰ্কে উল্লেখ কৰিছোঁ। ঠিক তেনেদৰে খেজুৰ বণ্টন সম্পৰ্কেও এক বৰকতৰ ঘটনাৰ উল্লেখ পোৱা যায়। হজৰত বশিৰ বিন ছাআদ (ৰাঃ)ৰ জীয়েকে বৰ্ণনা কৰিছে যে মোৰ মাকে মোৰ আঁচলত কেইটামান খেজুৰ দি মোক কৈছিল যে এয়া তুমি তোমাৰ দেউতা আৰু মামাক দি অহাগৈ আৰু তেওঁলোকক ক'বা যে এয়াই তোমালোকৰ বাবে ৰাতিপুৱাৰ আহাৰ। তাই কৈছে যে মই সেই খেজুৰ কেইটা লৈ মোৰ দেউতা আৰু মামাক বিচাৰি যাওঁতে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰেদি গৈ আছিলো। তেতিয়া মোক দেখি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল এই ছোৱালী ! এয়া তোমাৰ ওচৰত কি বস্তু হয় ? মই উত্তৰত কৈছিলো ইয়াতে কেইটামান খেজুৰ আছে। হুজুৰ (ছাঃ)য়ে কৈছিল লৈ আনা, খেজুৰ কেইটা মোক দিয়া। মই সেই খেজুৰ বিলাক তেখেত (ছাঃ)ৰ দুহাতৰ চলুত ৰাখিছিলো। তেখেত (ছাঃ)য়ে খেজুৰ বিলাক দুটা কাপোৰেৰে ঢাকি দিছিল। ইয়াৰ পিছত তেখেত (ছাঃ) য়ে এজন লোকক কৈছিল যে সকলোকে ইয়াত আহি খাবলৈ মাতি দিয়া। গতিকে সকলোৱেই খাবলৈ আহে আৰু খেজুৰ খাবলৈ আৰম্ভ কৰে, কিন্তু খেজুৰ তাতে আৰু বাঢ়িবলৈ আৰম্ভ কৰে এনেকি যেতিয়া সকলোৰে খোৱা হৈ গৈছিল, তেতিয়াও খেজুৰ কাপোৰৰ কিনাৰেদি তললৈ পৰি আছিল।

এনেদৰে খোৱাৰ মাজত হোৱা বৰকত নাযিলৰ আৰু এটা ঘটনা বৰ্ণনা কৰাৰ পিছত হুজুৰ আনোৱাৰ

(আইঃ)য়ে হজৰত আকদছ্ মছীহ মাওউদ (আঃ)ৰ বাণীৰ আধাৰত ছালিক ৰ স্থান আৰু লিকাৰ মৰ্যাদা সম্পৰ্কে কয় যে এয়াই খোদা তা'লাৰ এনে নিকটৱৰ্তী কৰোৱায় যে যেনেকৈ অগ্নিয়ে লোহক নিজৰ ৰঙৰ মাজত লুকুৱাই পেলায় যে যেনিবা তাত অগ্নিৰ বাহিৰে আৰু একো নাই। কয় যে এই স্থানত গৈ দৈৱশক্তিৰ আধাৰত মাজে সময়ে মানুহৰ জৰিয়তে এনে কিছুমান কাম সম্পাদিত হয় যে সেইবোৰ মানৱিক শক্তি সীমাৰ বাহিৰত বুলি অনুমান হয় আৰু ঐশ্বৰিক শক্তি তাত নিহিত থাকে। যেনেকৈ আমাৰ ছৈয়দ ও মাওলা ছৈয়দুৰ ৰছুল হজৰত খাতামুল আম্বিয়া (ছাঃ)য়ে বদৰৰ যুদ্ধত এমুঠি পাথৰ মিশ্ৰিত ধূলি-মাটি কাফিৰ সকলৰ ফালে মাৰি পঠিয়াই আৰু সেই মাটি কোনো দোৱাৰ জৰিয়তে নহয় বৰং নিজৰ ৰূহানি শক্তিৰ মাধ্যমত মাৰি পঠিয়াইছিল আৰু সেই মাটিয়ে ঐশ্বৰিক শক্তি প্ৰদৰ্শন কৰিছিল আৰু বিৰোধী ফৌজৰ ওপৰত এনেকুৱা ক্ৰিয়া কৰিছিল যে তাতে এনেকুৱা কোনেও নাছিল যে তাৰ চকুত এই ধূলিৰ প্ৰভাৱ পৰা নাছিল। এনেকুৱা আৰু বহুতো মজিজা আছে যিবোৰ আঁহজৰত (ছাঃ)য়ে নিজৰ ব্যক্তিত্বৰ ফালৰ পৰা প্ৰদৰ্শন কৰিছিল, যাৰ লগত কোনো ধৰণৰ দোৱাৰ প্ৰক্ৰিয়া নাছিল।

খাল খান্দি থকাৰ সময়ত কিছুমান মুনাফিক লোকে কামত গা এৰা দি চলিবলৈ আৰম্ভ কৰে আৰু ৰছুলুল্লাহ (ছাঃ)ৰ পৰা অনুমতি নোলোৱাকৈয়ে ঘৰলৈ বুলি গুচি যায়। কিন্তু মোমিন সকলে নিজৰ প্ৰাকৃতিক প্ৰয়োজনতও আঁহজৰত (ছাঃ)ৰ অনুমতি লোৱা কৰিছিল আৰু তেখেত (ছাঃ)য়ে সিহঁতক অনুমতি দিছিল।

ৰোৱায়েত অনুযায়ী আবু চুফিয়ানৰ সৈন্য বাহিনী আহি মদিনা পোৱাৰ তিনিদিন আগতেই এই খাল খন্দোৱা কাম সম্পূৰ্ণ হৈছিল। ইয়াৰ পিছত পৰিকল্পনা অনুযায়ী বালক, বালিকা আৰু ডেকা সকলক দূৰ্গৰ ওচৰলৈ পঠোৱা হয়, য'ত মহিলা সকলক নিৰাপদ ৰাখিবলৈ স্থানান্তৰিত কৰা হৈছিল। কিন্তু যিসকলৰ বয়স পোন্ধৰ বছৰৰ বেছি আছিল তেওঁলোকক অনুমতি হৈছিল যে তেওঁলোকে বিচাৰিলে ইয়াতে থাকিব পাৰে নহলে দুৰ্গৰ ফালে গুচিও যাব পাৰে।

ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে ইবনে উম্মে মকতুমক মদিনাত নিজৰ সহকাৰী হিচাপে নিযুক্তি দিয়ে আৰু সেই খালৰ ওচৰত নিজৰ বাবে ছালৰ তম্বু পাৰি লয়।মুহাজেৰিন সকলৰ পতাকা হজৰত জায়েদ বিন হাৰছা (ৰাঃ) আৰু আনছাৰ সকলৰ পৰা পতাকা হজৰত ছাআদ বিন উবেয়েদা (ৰাঃ)ৰ হাতত আছিল।

উক্ত যুদ্ধত যোগদান কৰা মুছলমানৰ সংখ্যা সম্পৰ্কে ইতিহাসবিদ সকলৰ মাজত মতভেদ আছে। কিছুমানৰ মতে মুছলমানৰ সংখ্যা সাত শৰ পৰা তিনি হেজাৰৰ ভিতৰত আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে ভালদৰে এই বিষয়ে অধ্যয়ন কৰাৰ পিছত কৈছে যে আহযাবৰ যুদ্ধৰ তিনিটা পৰ্ব আছিল। ইয়াৰে প্ৰথম পৰ্ব আছিল, তেতিয়াও শত্ৰু পক্ষই আহি মদিনাৰ ওচৰ পোৱা নাছিল, খাল খন্দা অৰ্থাৎ খনন কাৰ্য্য তীব্ৰ গতিত চলি আছিল। খন্দা কামত বালক, বালিকা সকলে মাটি কঢ়িয়াই নিয়াত সহায় কৰিব পাৰিছিল, কিছুমান মহিলা সকলেও আহি কামত ভাগ লৈছিল। গতিকে খনন কাৰ্যত মুছলমানৰ সংখ্যা আছিল তিনি হাজাৰ। আকৌ যেতিয়া শত্ৰু পক্ষ আহি উপস্থিত হৈছিল আৰু ৰণ আৰম্ভ হয়। তেতিয়া আঁহজৰত (ছাঃ)য়ে পোন্ধৰ বছৰতকৈ কম বয়সৰ ল'ৰা বিলাকক যুদ্ধৰ ময়দানত এৰি যাবলৈ আদেশ দিয়ে আৰু যিসকলৰ বয়স পোন্ধৰ বছৰ হৈছিল তেওঁলোকক কৈছিল যে এওঁলোকে ইচ্ছা কৰিলে যুদ্ধৰ ময়দানত থাকিব পাৰে অথবা ইচ্ছা হলে যাবও পাৰে। এই ৰিৱায়তৰ পৰা অনুমান হয় যে খাল খন্দোৱাৰ সময়ত মুছলমান সকলৰ সংখ্যা বেছি আছিল আৰু যুদ্ধ চলাকালীন অৱস্থাত এই সংখ্যা কমি গৈছিল। যুদ্ধ আৰম্ভ হোৱা সময়ত মুছলমান সকলৰ সংখ্যা বাৰ শ থকা বুলি উল্লেখ পোৱা যায়। যেতিয়া যুদ্ধ চলাকালীন বনু কুৰাইজাৰ দলটো আহি কাফিৰ সকলৰ লগত যোগ দিছিল আৰু সিহঁতে পৰিকল্পনা লৈছিল যে মদিনাৰ ওপৰত হঠাতে আক্ৰমণ চলাব তেতিয়া আঁহজৰত (ছাঃ)য়ে বনু কুৰাইজাৰ লোক সকলে থকা ফালটোৰ হিফাজত কৰাৰ চিন্তা কৰে। ইতিহাসৰ পৰা জনা যায় যে এই পৰিস্থিতি সাপেক্ষে আঁহজৰত (ছাঃ)য়ে দুশ জনীয়া এটা সৈন্য দল আৰু এটা তিনিশ জনীয়া সৈন্য দল মহিলা সকলৰ হিফাজতৰ বাবে

প্ৰেৰণ কৰিছিল। এনেদৰে যেতিয়া বাৰ শ সৈন্যৰ পৰা পাঁচ শ জন চিপাহী মহিলা সকলৰ হিফাজত কৰিবলৈ গুচি গৈছিল তেতিয়া বাৰ শ সাত শ জন যুদ্ধ ময়দানত উপস্থিত আছিল।

আবু ছুফিয়ানৰ নেতৃত্বত অহা কবিলাৰ সৈন্য সামন্ত সকলে মদিনাত আহি খালৰ ওচৰত বাহৰ পাতে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে কৈছে যে যেতিয়া কাফিৰ সৈন্য দলে আহি মদিনাৰ কাষ চাপিছিল তেতিয়া সন্মুখত খাল দেখা পাই আচৰিত হৈ পৰে আৰু উপায় নেপাই তেওঁলোকে খালৰ অৰ্থাৎ খন্দকৰ ওচৰতে অৱৰোধ হিচাপে বাহৰ পাতে আৰু খন্দকৰ দুৰ্বল ফালেৰে আক্ৰমণ চলোৱাৰ উপায় বিচাৰে। যেতিয়া শত্ৰু পক্ষই খন্দক পাৰ হোৱাৰ উপায় বিচাৰি পোৱা নাছিল তেতিয়া তেওঁলোকে বিভিন্ন চতুৰালি কৰিবলৈ আৰম্ভ কৰে। মুশৰিক সকলে মিলি সিদ্ধান্ত লয় যে কবিলা বনু কুৰাইজাক নিজৰ লগত মিলাই লোৱা যাওঁক যাতে তেওঁলোকে মুছলমান সকলৰ লগত কৰা সন্ধি ভঙ্গ কৰে আৰু মুছলমান সকলৰ ওপৰত ভিতৰ ফালৰ পৰা আক্ৰমণ চলায়। গতিকে এই ভয়ানক ষড়যন্ত্ৰ কাৰ্যকৰী কৰিবলৈ হুই বিন আখতাবে বনু কুৰাইজাৰ চৰদাৰ কাআব বিন উছেদৰ ওচৰলৈ যায়। প্ৰথমে কাআব হুইৰ বাবে দুৱাৰ খোলা নাছিল আৰু স্পষ্ট বাবে কৈছিল যে মই মহম্মদ (ছাঃ)ৰ সৈতে চুক্তিবদ্ধ আছো আৰু মই মহম্মদ (ছাঃ)ক সদায় প্ৰতিশ্ৰুতি পূৰ্ণ কৰোঁতা হিচাপে পাইছো। অৱশেষত হুইৰ অনুনয় বিননয়ত কাআবে কেৱল দুৱাৰেই খোলা নাছিল বৰং হুইৰ কথাত সন্মত হৈ মুছলমান সকলৰ বিৰুদ্ধে ভয়ানক ষড়যন্ত্ৰত লিপ্ত হৈ পৰে আৰু মুছলমানৰ সৈতে সম্পন্ন হোচা চুক্তি উলঙ্ঘন কৰে। এনে ঘটনা পৰিলক্ষিত কৰি বনু কুৰাইজাৰ ইহুদী সকলৰ কিছুমান সৎ লোকে ৰছুলুল্লাহ (ছাঃ)ৰ মুখৰ পৰা আঁহজৰত (ছাঃ)য়ে বনু কুৰাইজাৰ এই প্ৰতিশ্ৰুতি উলঙ্ঘন কৰাৰ খবৰ শুনিবলৈ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে ছাআদ বিন মুৱাজ (ৰাঃ) আৰু ছাআদ বিন উবেয়দা (ৰাঃ)ক কিছুমান চাহাবাৰ সৈতে বনু কুৰাইজাৰ ওচৰলৈ পঠাই দিয়ে আৰু নিৰ্দেশ দিয়ে যে যদি এই খবৰ সত্য হয় তেন্তে সকলোৰে আগত উচ্ছস্বৰে নক'বা বৰং ইঙ্গিতেৰে জনাবা। যেতিয়া এওঁলোকে গৈ বনু কুৰাইজাৰ ওচৰ পাইছিল তেতিয়া কাআব বিন উছেদে এওঁলোকক বৰ তাচ্ছিল্য আৰু অপমান কৰে আৰু স্পষ্ট বাবে সম্পাদিত চুক্তি অমান্য কৰে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে সেই দুৰ্ভগীয়া কাআব বিন উছেদে অহংকাৰ দৰ্পে আহি এখেত সকলৰ লগত দেখা কৰে আৰু চুক্তিৰ কথা শুৰৰাই দিয়াত তেওঁ আৰু তাৰ কবিলাৰ লোকে কয় যে যোৱা! তোমালোকৰ লগত আমাৰ কোনো চুক্তি নাই। কাআব বিন উছেদৰ উত্তৰ শুনাৰ পিছত চাহাবাৰ দলটোৱে ওভতি আহি ইঙ্গিতেৰে আঁহজৰত (ছাঃ)ক বনু কুৰাইজাৰ চুক্তি ভঙ্গৰ কথা জনাই দিয়ে। আঁহজৰত (ছাঃ)য়ে এই বিপদজ্জনক আৰু সংকটময় অৱস্থাত উক্ত খবৰ শুনি কিছু সময় মনে মনে থাকে যদিও এই খবৰে আঁহজৰত (ছাঃ)ৰ ওপৰত একো প্ৰভাৱ পেলাব নোৱাৰে। কিন্তু এখেত (ছাঃ)ৰ ঠাইত এনেই সাধাৰণ লোক হলে তাৰ মনোবল ভাঙি গ'লহেঁতেন। কিছু সময় মনে মনে থকাৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে হে মোমিন সকলৰ জামাত ! আল্লাহ তা'লাৰ কৃপা আৰু সহায়ৰ সৈতে আনন্দিত হৈ যোৱা। মোৰ বিশ্বাস এটা সময় আহিব আৰু সেই খানাকাবা প্ৰদিক্ষণ কৰিবলৈ সক্ষম হয় আৰু তাৰ চাবি কাঠি মোৰ হাতত থাকিব আৰু কায়ছৰ আৰু কিছৰা ধ্বংস হৈ যাব।

খন্দকৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা আগলৈ আৰু চলিব বুলি কোৱাৰ পিছত হুজুৰ আনেৱাৰ (আইঃ)য়ে কয় যে আজিৰ পৰা খুদ্দামুল আহমদীয়াৰ ইজতিমা আৰম্ভ হ'বলৈ লৈছে। খুদ্দাম সকলে ইয়াৰ পৰা ভৰপুৰ লাভ আহৰণ কৰাৰ চেষ্টা কৰিব। বতৰৰ ভৱিষ্যতবাণী এয়া যে এই কেইদিন বতৰ ডাৱৰীয়া হৈ থাকে। কিন্তু যিয়েই নহওঁক আল্লাহ তা'লা কৃপা বৰ্ষণ কৰক আৰু সকলো প্ৰোগ্ৰাম যেন সুকলমে হৈ যায়। খুদ্দাম সকলে এই দিন কেইটাত ৰূহানি আৰু শিক্ষাগত মান বঢ়োৱাৰ চেষ্টা কৰিব। যিবোৰ দোৱা আৰু দৰূদ পাঠৰ ফালে মই সকলোৰে মনোযোগ আকৰ্ষণ কৰিছিলোঁ, এই দিন কেইটাত সকলোৱে সেইফালে ভৰপূৰ মনোযোগ দিব আৰু সদায়

এইবোৰ ঘূৰাই ঘূৰাই পাঠ কৰিব, দোৱা কৰিব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে চাৰিজন মৰহুমৰ বিষয়ে পৰিচয়মূলক বৰ্ণনা কৰে আৰু নামাজে জানাজা গায়েব পৰাৰ ঘোষণা কৰে। ইয়াৰে প্ৰথমজন হ'ল মকৰম হবিবুৰ ৰহমান জেৰুবী চাহাব ওৱাকফে জিন্দেগী অফ ৰাৱোৱা। মৰহুমে মৃত্যুৰ আগমুহূৰ্তলৈকে নায়েব নাজিৰ দিৱান হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছে। দ্বিতীয়জন হ'ল ডাক্তৰ শেষ ৰিয়াজুল হুছেইন চাহাব ইবনে মকৰম ব্ৰিগেডিয়াৰ, ডাক্তৰ জিয়াল শ্বেখ হুছেইন চাহাব মৰহুম। মৰহুম ওয়াকফেজিন্দেগী হিচাপে প্ৰায় বিশ বছৰ কাল আফ্ৰিকা আৰু পাকিস্তানত খিদমত আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে। তৃতীয়জন হ'ল মকৰম প্ৰোফেছৰ আব্দুল জলিল ছাদিক চাহাব ৰাবোৱা। মৰহুমে মৃত্যুৰ আগপৰ্যন্ত সদৰ আঞ্জুমান আহমদীয়া ৰাৱোৱাত ইনচাৰ্জ তৰবিয়ত ও ৰিকাৰ্ড নায়েব নাজিৰ হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছে। চতুৰ্থতে হ'ল মকৰম মাষ্টাৰ মনিৰ আহমদ চাহাব অফ জিলা ঝংগ। মৰহুমে এক দীৰ্ঘ সময় বিভিন্ন জামাতত খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। কয়েদী সকলৰ খিদমত সম্পৰ্কে মৰহুম এক গ্ৰহণযোগ্য আৰু প্ৰশংসনীয় খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে উন্নত মৰ্যদা প্ৰাপ্তিৰ দোৱা কৰে। আল্লাহ তা'লা সকলোৰে মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 SEP 2024**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................
..............................................................................................................
..............................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা